بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡم  نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡم  وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জু'মা

**ছৈয়েদনা হজৰত আকদাছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) ২০১৭ চনৰ ১০ ফেব্রুৱাৰী তাৰিখত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

বৰ্তমান জগত বাসীক যদি কোনোবাই প্ৰকৃত ইছলাম শিকাব পাৰে তেন্তে একমাত্ৰ সেইজনেহে শিকাব পাৰিব, যি জনে হজৰত মছিহ মাওউদ (আঃ) ক মানিছে আৰু তেখেত (আঃ) ৰ জৰিয়তে ইছলামৰ মূলতত্ত্ব বুজি পাইছে।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আঃ) য়ে কয় যে; পৃথিৱীত সদায় দেখিবলৈ পোৱা যায় যে মানুহ দুনীয়াদাৰিত ডুব যাবলৈ ধৰিছে। পাৰ্থিব সা-সুবিধা, বস্তু-বাহানি অৰ্জনৰ প্ৰয়াসত উফৰা-উফৰি কৈ পৰিছে। খোদা তায়লা আৰু ধৰ্মক দ্বিতীয় স্থান প্ৰদান কৰা হৈছে। দিনে দিনে এনেকুৱা দুনীয়াদাৰৰ সংখ্যা বাঢ়ি আছে, যি সকলে খোদা তায়লাৰ সত্বাক অস্বীকাৰ কৰিবলৈ লৈছে। ধৰ্মক এটা নিৰৰ্থক (নাউজুবিল্লাহ) বস্তু বুলি ভাবিবলৈ লৈছে। কিন্তু এনেকুৱা অৱস্থাতো এনেকুবাজন আছে যিজনে আল্লাহ তায়লাক বিচাৰি আছে। যিজনে আল্লাহ তায়লাৰ ফালে লৈ যোৱা ধৰ্মৰ সন্ধান বিচাৰি আছে, যিজনে আল্লাহ তায়লাৰ সৈতে সম্পৰ্ক গঢ়িব বিচাৰে, যিজনে সত্য ধৰ্মক চিনিব বিচাৰে আৰু তাৰ অন্তৰ্ভূক্ত হ'ব বিচাৰে আৰু এই উদ্দেশ্যে দোৱা কৰি ব্যাকুল হৈ পৰে, আল্লাহ তায়লা সেইজনক সহানুভূতিৰে সঠিক পথৰ সন্ধান দিয়ে। বিভিন্ন প্ৰকাৰে তাক শান্তি আৰু প্ৰকৃত ধৰ্ম বুজি পোৱাৰ দিহা দিয়ে। তেওঁলোকৰ ঈমান আৰু বিশ্বাস বৰ্দ্ধিত কৰে। চলিত যুগত আল্লাহ তায়লাৰ সান্নিধ্য লাভাৰ্থে আৰু ধৰ্মক বুজি পাবলৈ, আল্লাহ তায়লা তাৰ প্ৰতিশ্ৰুতি অনুযায়ী আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাসক মছিহ আৰু মাহদী মাউদৰ মৰ্যদাৰে সৈতে প্ৰেৰণ কৰিছে আৰু জগত বাসীক কৈছে যে নিজৰ সঁচা আৰু প্ৰকৃত উৎসুকতা আৰু প্ৰশান্তিৰ উত্তৰণৰ বাবে মছিহ মাওউদৰ বয়াতৰ অন্তৰ্ভূক্ত হোৱা। আল্লাহ তায়লাৰ সান্নিধ্য লাভৰ বাট উন্মোচন কৰা, নিজৰ ইবাদতৰ মূল বুজি পোৱা দোৱা কবুল হোৱাৰ দৃশ্য চাই লোৱা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এতিয়া মই এনেকুৱা কিছুমান ঘটনা বৰ্ণনা কৰিম যে কেনেকৈ খোদা তায়লা নিজৰ কৃপাৰে মানুহৰ হিদায়েতৰ উপায় উপাদান প্ৰদান কৰে।

গাম্বিয়াৰ আমিৰ চাহাবে এটা ঘটনাৰ উল্লেখ কৰে যে নয়ামিনাইষ্ট জিলাৰ এখন গাঁৱৰ এজনী মহিলা চিষ্টাৰ কাফি ফাতি, যাৰ বয়স ৬৫ বছৰ, দহ বছৰ ধৰি ভৰিৰ বেমাৰত ভূগি আছে। উক্ত বেমাৰৰ কাৰণে তাই চলিব ফুৰিব নোৱাৰে। চিকিৎসাৰ বাবে তাই বনছণ্ড অঞ্চললৈ যায়। তাত হঠাৎ তাই এম.টি.এৰ মাজত মোৰ খোতবা শুনিবলৈ পায়। মহিলাজনী নিজৰ ঘৰলৈ ওভতি অহাৰ পিছত সপোনত তাই তাইক কোৱা শুনিবলৈ পায় যে তুমি টি.ভিত যিজনক দেখিবলৈ পাইছা তাক অনুসৰণ কৰা কাৰণ তেওঁ সত্য আৰু মুক্তিৰ বাটৰ কথা তোমালোকক কৈ আছে। সেয়ে মহিলা জনীয়ে বয়াত কৰে আৰু কিছুদিন পিছৰে পৰা তাইৰ বেমাৰ আৰোগ্য হ'বলৈ ধৰে আৰু যাৰ ফলত তাইৰ ঈমান বৃদ্ধি পায়। এতিয়া তাই গাওঁ খনত তবলিগ কৰি আছে আৰু লোকক জনাই আছে যে তাইৰ বেমাৰ কেনেকৈ জমাত ভূক্ত হোৱাৰ কল্যাণত দুৰ হৈ গৈছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; মোলৈ কিছুমান লোকে চিঠি লিখিছে যে; আমি যেনেকৈ আল্লাহ তায়লাৰ পৰা প্ৰশান্তি লভি আৰু নিদৰ্শন চাই বয়াত কৰিছো, আমাৰ ঈমান কোনেও লৰাব-টলাব নোৱাৰে। আমালোকৰ ইয়াতকৈ আৰু বেছি প্ৰমাণৰ প্ৰয়োজন নাই। কিছুমান লোকে জমাতৰ এনে বিৰুদ্ধাচৰণ কৰিছে যে সেয়া বিবেকে মানি লব নোৱাৰে। কিন্তু ইয়াৰে মাজত কিছুমান আকৌ অহংকাৰী নাছিল, সামান্য হলেও মানৱতা আছিল, সেয়ে আল্লাহ তায়লাৰ দয়া এওঁলোকৰ ওপৰত পৰিছে। যদি তেওঁলোকে এই দয়াৰ সাৰ্থকতা বুটলি লয় তেন্তে আল্লাহ তায়লাৰ কৃপাৰ অংশীদাৰ হ'ব পাৰিব।

এনেদৰে ছিৰিয়াৰ এজন আহমদী প্ৰথমে তেওঁ বৰকৈ জমাতৰ বিৰুদ্ধাচৰণ কৰিছিল কিন্তু পিছত আল্লাহ তায়লাৰ প্ৰতি তাৰ এটা মনযোগ আৰু আগ্ৰহৰ উদ্ৰেক হয়। তেওঁ কয় যে মোৰ আহমদী সকলৰ সৈতে ভালেই সম্পৰ্ক আছিল। মোৰ ঘৰলৈ সিহঁতে অহা যোৱা কৰিছিল। মই সিহঁতৰ বহুত কথাই মানি লৈছিলো কিন্তু মছিহৰ মৃত্যু হোৱা কথাটো মই মানি লৱ পৰা নাছিলো। ইয়াৰ কাৰণ আছিল, মই এটা দীঘলীয়া সময় ধৰি মছিহ আকাশৰ পৰা অৱতীৰ্ন হোৱাৰ অপেক্ষাত ৰৈ আছিলো আৰু মছিহৰ সৈন্যত ভৰ্ত্তি হৈ বায়তুল মকদ্দছ স্বাধীন বা মুক্ত কৰাৰ এটা পুৰণি ইচ্ছা পুহি ৰাখিছিলো। মছিহৰ মৃত্যু সম্পৰ্কে শুনি মোৰ আনুমানিক জিহাদৰ সপোন ভাঙি চুৰ্ণ হৈ গল। মছিহ আচমানৰ পৰা নামি নাহে তেন্তে মই জিহাদ কেনেকৈ কৰিম ? তেওঁ কয় যে এদিন মোৰ ঘৰত কেইজনমান আহমদী আহি বহিছিল, তেওঁলোকৰ মাজত মাতজল কজোক চাহাবও উপস্থিত আছিল। তেতিয়া মছিহৰ মৃত্যু সম্পৰ্কে আলোচনা আৰম্ভ হয়। তেতিয়া মইকওঁ যে তোমালোক আহমদী সকলক খোদা তায়লাৰ দোহাই দি কৈছো যে আজিৰ পিছত মছিহৰ মৃত্যু সম্পৰ্কে মোৰ লগত কথা নাপাতিবা। তেতিয়া কজোক চাহাবে কয় যে মোৰ এটা আবেদন আছে যে আপুনি খোদা তায়লাৰ ওচৰত এই বিষয়ে দিহা দিবলৈ দোৱা কৰিব। কথাখিনি মোৰ বাৰুকৈয়েপছন্দ হ'ল। সেইদিনা আবেলিৰ পৰাই মই খোদাৰ ওচৰত কান্দি কান্দি ছিজদাত দোৱা কৰিবলৈ ধৰিলো। ৰাতি মই সপোনত চাই আছো যে মই কোনো এটা উচ্চ স্থানলৈ যাত্ৰা কৰিছো। বাটত এঢলীয়া অলপ ঠাই পালো তাত ভৰি দিয়াৰ লগে-লগে অনুমান হ'ল যে মোক কোনোবা দ ঠাইলৈ ঠেলি লৈ গৈ আছে। এনে ক্লান্ত অৱস্থাত কোনোবাই মোৰ কান্ধত ধৰি উঠায় আৰু কয় যে আবু হাচান এই ঠাইত কেতিয়াও নাহিবা আৰু বিশ্বাস কৰি লোৱা যে ঈছা (আঃ) ৰ মৃত্যু হৈছে। আকৌ তেওঁ কয় যে; ব'লা এতিয়া নিজৰ বাটেৰে গৈ থাকা। মই সাৰ পাই উঠি আহমদী ভাই এজনক ফোনত জনালো যে মই কজোক চাহাবৰ ওচৰত যাব বিচাৰো। আমি দুয়ো কজোক চাহাবৰ ঘৰত সোমাওতে দেৱালত এখন ছবি ওলমি থকা দেখা পাই থমকি ৰলো আৰু সুধিলো যে; এইখন কাৰ ছবি ? তেওঁ মোক কয় যে হজৰত মছিহ মাওউদ (আঃ) ৰ ছবি। এয়া শুনাৰ লগে-লগে মই জনাওঁ যে মই এতিয়াই বয়াত কৰিব বিচাৰো। কাৰণ এইজনেই সেইজন ব্যাক্তি যি জনে মোক সপোনত কান্ধত ধৰি উঠাই আনি কৈছিল যে হজৰত ঈছা (আঃ) মৃত্যু বৰণ কৰিছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আজি কালি বহুতেই এম.টি.এৰ জৰিয়তে প্ৰকৃত ইছলামৰ বিষয়ে জানি আহমদীয়ত গ্ৰহন কৰি আছে। বেনিনৰ এজন মোবাল্লিগে লিখিছে যে; এজন মুশৰিক লোক আহমদীয়ত গ্ৰহন কৰি প্ৰকৃত ইছলামৰ ওপৰত আমল কৰিবলৈ লয়। তাৰ অঞ্চলত এখন মছজিদৰ শুভাৰম্ভৰ মুহুতৰ্ত দিয়া ভাষণত তেওঁ উল্লেখ কৰে যে; মই বুজি নাপাওঁ যে কিয় অ-আহমদী সকলে জমাত আহমদীয়াৰ বিৰুদ্ধীতা কৰে ? আজি একমাত্ৰ জমাত আহমদীয়াই পৃথিৱীৰ প্ৰান্তে-প্ৰান্তে ইছলামৰ বাণী প্ৰচাৰ কৰি আছে। মই এবছৰ আগত মুশৰিক আছিলো আৰু মুশৰিকৰ ৰজা আছিলো। জমাত আহমদীয়াৰ মোবাল্লিগ চাহাবে মোৰ ধাৰণা সলনি কৰি দিছে আৰু ইছলামৰ প্ৰকৃত স্বৰূপ মোক দেখুৱাইছে গতিকে মই ইছলাম গ্ৰহন কৰিছো। যদি জমাত আহমদীয়াই মুশৰিক আৰু ঈছাই সকলক ইছলামলৈ লৈ আনে তেন্তে তালৈ তোমালোকৰ কি অসুবিধা আছে। এইখন মছজিদ সকলোৰে বাবে খুলা আছে। ইবাদতৰ বাবে যদি এজন ঈছাই মছজিদলৈ আহে, তাক বাধাদিয়া নহয়। তোমালোকে বিৰুধ এৰি ভিতৰলৈ আহি চোৱা। ইয়াত আছে ভালপোৱা, শান্তি আৰু ভ্ৰাতৃত্ববোধৰ পাঠ। জমাত আহমদীয়া কেৱল পৃথিৱীৰ মঙ্গল কামনা কৰে। মোৰ মনে বিচাৰে যে ইয়াত মছজিদৰ কাষত এখন ঘৰ বনাওঁ আৰু সকলো অহা, যোৱা কৰা লোকক কওঁ যে জমাত আহমদীয়ায়ে প্ৰকৃত ইছলাম।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এফালে উলামা সকলে নেতা, যি সকলে ইছলামৰ নামত কাজিয়া-বিবাদৰ জন্ম দি আছে। আনফালে অহংকাৰত ডুবি আছে। নিজৰ আধিপত্যৰ বাবে অজ্ঞ মুছলমানৰ হতুৱাই মুছলমানক হত্যা কৰোৱাই আছে। আল্লাহ তায়লা মুশৰিক এজনৰ কোনোবা এটা নেকিত সন্তুষ্ট হৈ তাৰ ওপৰত কৃপা বৰ্ষণ কৰে আৰু তাক ইছলামী শিক্ষাৰ ওপৰত আমল কৰি নিজে আকৌ সেয়া ফিতনা-ফছাদ দুৰীকৰনাৰ্থে লোকক জনাবলৈ আল্লাহ তায়লা তাক থিয়কৰাব পাৰে। এয়া হ'ল আল্লাহ তায়লাৰ ইচ্ছা। কিন্তু অহংকাৰী এজনে যিমানেই নমাজ পঢ়ক, দোৱা কৰক, নিজকে নেক বুলি ভাৱক, হাজি হওঁক, তেওঁ আল্লাহ তায়লাৰ ফালৰ পৰা হিদায়েত প্ৰাপ্ত নহয়।

হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতলৈ আহি প্ৰকৃত ইছলাম চিনি পাই মানুহৰ মাজত কেনেকুৱা পৰিৱৰ্ত্তন সাধিত হয়, তাৰে এটা ঘটনা এজন মোবাল্লিগে লিখিছে যে; কেমেৰুণ ভ্ৰমণৰ সময়ত এজন অৱসৰ প্ৰাপ্ত ফৌজী বয়াত

কৰি জমাতৰ অন্তৰ্ভূক্ত হয়। ফৌজীজন বমিউন কবিলা (গোত্ৰ) ৰ সৈতে সম্পৰ্কিত; যাৰ চুলতান যোৱা বছৰ বৃটেইনৰ এমবেছিত যোগদান কৰিছিল। এইবাৰ যেতিয়া কেমেৰুণ ভ্ৰমনলৈ যাওঁ তেতিয়া উক্ত ফৌজী জনৰ লগত সাক্ষাৎ হয়। তেওঁ জনায় যে; তেওঁ মছজিদ নিৰ্মাণৰ বাবে জমাতক এখন প্লট দিব বিচাৰে। সদৰ জমাত আৰু মই ঠাই খন চাবলৈ গলো। ফৌজী জনে কয় যে; মোৰ দেউতা, (মৃত) সপোনত দেখা দি মোক কৈছে যে তুমি ইয়াত নিজৰ ঘৰ নহয় বৰং মছজিদ বনোৱা। গতিকে মই সিদ্ধান্ত লৈছো যে এই ঠাই খিনি জমাতৰ নাম কৰি দিওঁ যাতে জমাতে ইয়াত মছজিদ বনাব পাৰে। উক্ত ঠাইখিনিৰ নথি পত্ৰ জমাতৰ নাম কৰি দিয়ে। ইনশা আল্লাহ তাত মছজিদ নিৰ্মাণ হ'ব।

আইভৰিকোষ্টৰ এজন মোৱাল্লিমে লিখিছে যে; আইভৰিকোষ্ট ইবনগ্ৰো ৰিজিয়নৰ এখন দুৰণীবটীয়া গাওঁ ইয়া ওৱাইকোৰৰ ছায়দো চাহাবে বৰ্ণনা কৰিছে যে তেওঁলোকৰ গাৱঁত ইছলাম তেওঁৰ ককাদেউতাৰ জৰিয়তে আহিছে। কিন্তু লাহে-লাহে মানুহ ইছলামৰ পৰা আঁতৰি গৈ আছে। কেৱল নাম মাত্ৰ ইছলামহে ৰৈ আছে। ছায়দো চাহাবে কয় যে মই সদায় কৈছিলো যে আল্লাহ তায়লা এনে এটা উপায় দিয়ক যাতে গাঁৱৰ মানুহ ইছলামৰ প্ৰকৃত শিক্ষাৰ ওপৰত আমল কৰে। ২০১৬ চনৰ ৰমজান মাহৰ আৰম্ভনীৰ সময়ত এই দোৱা কৰি কৰি চকুলো টুকিছিলো। ইয়াৰে দুই এদিন পিছত জমাত আহমদীয়াৰ মোবাল্লিগ আমাৰ গাঁৱলৈ আহে আৰু জমাতৰ সৈতে পৰিচয় কৰায়। এই কথাটিয়ে মোৰ ঈমান বহুখিনি বৃদ্ধি কৰে যে আমাৰ ঈমান দুৰণীবটীয়া গাওঁখনলৈও এনেদৰে ইছলামক জীৱিত কৰাৰ পয়গাম লৈ আহিছে। উক্ত মোবাল্লিগ জনৰ জৰিয়তে ৫৫ জন মানুহে বয়াত কৰি জমাতত অন্তৰ্ভূক্ত হয়। এনেদৰে আজি আমি জমাত আহমদীয়াৰ সহায়ত ইছলামৰ প্ৰকৃত শিক্ষাৰ ওপৰত আমল কৰিব পৰা হৈছো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; সামান্য চিন্তা কৰি চাওঁক এফালে উন্নত দেশত বাস কৰা লোক, ধৰ্ম কি সেয়া পাহৰি গৈছে, জাগতিকতাৰ পিছলৈ সদায় ব্যাস্ত। আনফালে দুৰণীবটীয়া এখন পিছ পৰা গাওঁ, য'ত পকী আলিবাট নাই বুলিব পাৰি, যি পৃথিৱীৰ আৰাম বিলাসৰ পৰা বঞ্চিত, কিন্তু এটা ব্যাকুলতা হৃদয়ত আছে যে ইছলামৰ শিক্ষা ইয়াৰ পৰা অৰ্ন্তধ্যান হৈ আছে। গতিকে আল্লাহ তায়লাক দোৱা কৰিছে যে কোনোবাজনক পঠোৱা যি জনে আমালোকক ইছলামৰ প্ৰকৃত শিক্ষাৰ ওপৰত আকৌ আমালকাৰী বনায়। আল্লাহ তায়লাৰ কৰুণাত মছিহ মহম্মদীৰ এজন দাস সেই অঞ্চলত গৈ উপস্থিত হয় আৰু তেওঁলোকক ইছলাম সম্পৰ্কে কয়। কাৰণ বৰ্তমান জগত বাসীক যদি কোনোবাই প্ৰকৃত ইছলাম শিকাব পাৰে তেন্তে একমাত্ৰ সেইজনেহে শিকাব পাৰিব, যিজনে হজৰত মছিহ মাওউদ (আঃ) ক মানিছে আৰু তেখেত (আঃ) ৰ জৰিয়তে ইছলামৰ মূল মন্ত্ৰ বুজি পাইছে।

গতিকে আমালোক সকলোৰে এয়া দায়িত্ব যে অতি আগ্ৰহৰ সৈতে ইছলামৰ প্ৰকৃত শিক্ষা জগতত প্ৰচাৰ কৰা, প্ৰত্যেকজন মানুহলৈ এই পয়গাম প্ৰেৰণাৰ্থে দোৱা কৰা আৰু চেষ্টা কৰা। কবলৈ গলে দেখোন বহুত সংগঠন আছে, তনজিম আছে, কিছুমান দল আছে যি সকলে ইছলামৰ নামত কাম কৰি আছে, তবলিগ জমাতও আছে, কিন্তু প্ৰায় প্ৰত্যেকেই নিজৰ স্বাৰ্থৰ পিছত পৰি আছে। বিৰুধীতাৰ কবলত পৰি পৰস্পৰে কুফৰ ফতুৱা লগোৱাৰ বাবে সাজু হৈ আছে। তেওঁলোকে ইছলামৰ খিদমত কেনেকৈ কৰিব ? বৰ্তমান এই কাম মছিহ মহম্মদীৰ দাস সকলৰ ওপৰত ন্যাস্ত যে ইছলামৰ পয়গাম প্ৰচাৰ কৰে। আল্লাহ তায়লা নিজে আমালোকৰ কাম সহজ কৰি দি আছে, কোনোবাজনক সপোনৰ জৰিয়তে, কোনোবাজনক আন উপায়েৰে এই কাম সমাধা কৰি দি আছে। যদি আমি বয়াতৰ হ'ক আদায় কৰিব বিচাৰো, তেন্তে হজৰত মছিহ মাওউদ (আঃ) ৰ সহায়কাৰী হ'বলৈ চেষ্টা কৰিব লাগিব। আমি বয়াত কৰাৰ পিছত কেনেকুৱা হ'ব লাগিব সেই বিষয়ে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; নামমাত্ৰ বয়াত ফলপ্ৰসু নহয়। বয়াতৰ অংশীদাৰ হোৱাটো বৰ কঠীন। উল্লেখ কৰে যে, সেই সময়তহে ইয়াৰ অংশীদাৰ হব পৰা যায় যেতিয়া নিজৰ ব্যক্তিত্বক নেওচি সম্পূৰ্ণ ৰূপে প্ৰেম আৰু পৱিত্ৰতাৰ সৈতে ইয়াৰ লগত মিলি যাব। মুনাফিক সকলে আঁহজৰত (ছাঃ) ৰ সৈতে সত্যতাৰে সম্পৰ্ক নৰখাৰ বাবে শেষত বেঈমান হৈ থাকিল। গতিকে প্ৰকাশ্য লাইলাহা ইল্লাল্লাহই তেওঁলোকৰ কোনো কামত নাহিল। এই সম্পৰ্ক আগবঢ়াই নিয়াটো হ'ল জৰুৰী বিষয়। যিমানদুৰ সম্ভৱ তৰিক আৰু বিশ্বাসত মুৰশিদ মোৰ ৰংত ৰঙ্গীন হব লাগিব। যাক মানিছে, যেনেকুৱা তেওঁ, তেনেকুৱা নিজে হোৱাৰ চেষ্টা কৰিব লাগিব। কয় যে; বয়সৰ জোখেৰে নহয়, সোনকালে পবিত্ৰতা আৰু ইবাদতৰ ফালে আগবাঢ়ি যোৱা উচিত আৰু পুৱাৰে পৰা আবেলি লৈ গমি জুখি চোৱা উচিত যে মই কেনেদৰে জীৱণ অতিবাহিত কৰি আছো।

আল্লাহ তায়লা নতুনকৈ অহা সকলক ঈমান আৰু বিশ্বাসত আগবঢ়াই লৈ যাওঁক। বিশ্বাস আৰু আমলৰ নিৰিখত উন্নতি কৰক। যি ঈমানৰ প্ৰৱণতা আল্লাহ তায়লা সিহঁতৰ হৃদয়ত অংকিত কৰিছে, আহমদীয়ত আৰু প্ৰকৃত ইছলাম কবুল কৰাৰ পিছত এই বিষয়ে তেওঁলোকে আগবাঢ়ি যাওঁক। চয়তান কেতিয়াও যেন তেওঁলোকক প্ৰৱঞ্চনা কৰিব নোৱাৰে। আল্লাহ তায়লা সদায় তেওঁলোকক দৃঢ় প্ৰতিষ্ঠিত খোজত আগবঢ়াই লৈ যায়। আমি যি সকলে পূৰণি আৰু জন্মগত আহমদী আছো আমালোকক আল্লাহ তায়লা ঈমানৰ দৃঢ়তা দান কৰক। আল্লাহ তায়লাৰ লগত সম্পৰ্ক বৃদ্ধি কৰিবলৈ আমালোকক তৌফিক দান কৰক। কেতিয়াও যেন কোনো নতুনকৈ অহাজনৰ বাবে দোধোৰ মোৰ প্ৰবঞ্চনাৰ কাৰক হৈ নাযাওঁ। সদায় যেন জগতক সঠিক পথৰ দিহা দিব পৰা হওঁ। এই কথা খিনিৰ ওপৰতেই যেন আনন্দিত নহওঁ যে আমি পুৰণা আহমদী বৰং বয়াতৰ উদ্দেশ্য যেন পূৰ্ণ কৰোঁতা হওঁ। জাগতিক উপায় অৱলম্বন আমাৰ উদ্দেশ্য হ'ব নালাগে বৰং উদ্দেশ্য হ'ব লাগে আল্লাহ তায়লাৰ সন্তুষ্টি। আমি যেন অনতি পলমে প্ৰকৃত ইছলাম জগতত বিস্তাৰ লাভ কৰা দেখিবলৈ পাওঁ। যাতে আমি জগতবাসীক কব পাৰো যে, তোমালোকে যিটো পৃথিৱীৰ বাবে ক্ষতিকাৰক বস্তু বুলি ধাৰণা কৰিছা, সেয়া প্ৰকৃততে তোমালোকৰ বাবে আৰু পৃথিৱীৰ বাবে মুক্তিৰ একমাত্ৰ বাট। (আমিন)

☆ ☆ ☆ ✪

**Assamess Khulasa Khutba Jumma Huzoor Anwar 10 February 2017**

**BOOK POST (PRINTED MATTER)**

**To**

______________________________

______________________________

______________________________

From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890